ASSAMESE

# গুঠলীয়ে ডেউকা মেলিলে

মূল কাহিনী: কনক শশী



eklavya



# গুঠলীয়ে ডেউকা মেলিলে

কনক শশী

eklavya



**গুঠলী** তাইৰ মাক, দেউতাক, বায়েক আৰু ককায়েকৰ লগত থাকে। তাই ঘৰৰ সকলোতকৈ সৰু।







গুঠলী বৰ কথকী। তাই পৰীৰ ছবি আঁকি ভাল পায়। গাৰো পাহাৰৰ চুকে-কোণে ঘূৰি ফুৰি বেলেগ বেলেগ ৰকমৰ ফুল আৰু গছৰ পাত গোটোৱাত তাইৰ বৰ চখ। তাই মুৰ্গী পোৱালিবোৰৰ লগত খেলি, দোলনাত দুলি আৰু গছ বগাইও বৰ ফুৰ্তি পায়। তাই চাইকেল চলাব জানে আৰু চাইকেলৰ চেইনত তেল দিয়াৰ লগতে চকাত হাৱা ভৰাবলৈও জানে। গুঠলী খুবেই ফুৰ্তিবাজ।





ঘৰত গুঠলী সকলোৰে মৰমৰ। যেতিয়া মাকে তাইক সোণালী চৰাই বুলি মাতে আদৰতে গোটেইজনী পকা ডালিমটোৰ দৰে ৰঙা হৈ পৰে।

কাইলৈ দেৱালী। সকলো ঘৰ সজোৱাত ব্যস্ত। গুঠলীয়ে তাইৰ বায়েকৰ লগত আল্পনা সাজি আছে। দেৱালী বুলি সকলোৱে নতুন কাপোৰ লৈছে।








গুঠলীৰ পিছে তাইৰ নতুন কাপোৰ যোৰ পছন্দ হোৱা নাই। তাইৰ বায়েকৰ ফ্ৰকটোহে বেছি পছন্দ হৈছে। তাই মনে মনে বায়েকৰ ফ্ৰকটো পিন্ধিলে। তাতে খং খাই বায়েকে তাইক চিঞৰি ক'লে, "মোৰ ফ্ৰক তই কিয় পিন্ধিলি?" গুঠলীৰ দেউতাকেও তাইক খং কৰিলে। ককায়েকে তাইক দেখি খিকখিকাই হাঁহিলে।

গুঠলীৰ চকুযুৰি চলচলীয়া হৈ পৰিল।







মাকে তাইক নিজৰ ৰুমলৈ লৈ গ'ল। তাইক মৰমেৰে সাৱটি ধৰি ক'লে, "সোণটো! তুমি ল'ৰাহে। তুমি নিজৰ কাপোৰহে পিন্ধিব লাগে। বাৰ কাপোৰ নিপিন্ধে নহয়।"

মাকৰ কথা শুনি গুঠলীয়ে ক'লে, "মই পৰীহে হ'ব বিচাৰো, আৰু মোক তুমি ল'ৰা বুলি কিয় কৈছা? মই ছোৱালীহে।"

"তুমি তোমাৰ দাদাৰ নিচিনাহে। বাৰ নিচিনাতো নহয়। ল'ৰাবোৰে ল'ৰাৰ নিচিনাকৈ থাকে আৰু ছোৱালীবোৰ ছোৱালীৰ নিচিনাকৈ," মাকে ক'লে।





“উহু! মই এজনী পৰী,” গুঠলীয়ে আঁকোৰ-গোঁজ হৈ ক’লে।

“কিন্তু সোণটো, তুমিতো ল’ৰাহে। ল’ৰাবোৰ জানো পৰী হয়? ল’ৰাবোৰ ৰাজকুমাৰ হে হয়। আৰু তুমি সকলোতকৈ ধুনীয়া ৰাজকুমাৰ,” মাকে গুঠলীক আলফুলকৈ সাৱটি ধৰি ক’লে।

গুঠলীয়ে খঙেৰে মাকৰ বুকুৰ পৰা ওলাই আহিল। তাই খঙেৰে ক’লে, “মই ৰাজকুমাৰ নহয়... নহয়... নহয়। মই এজনী পৰী আৰু মই এই ফ্ৰকটো পিন্ধিমেই।”

এইবাৰ মাকৰো খং উঠিল। “জেদ নধৰিবা, তুমি ল’ৰায়েই হয়। এতিয়াই এই ফ্ৰকটো খুলি থোৱা,” সেইবুলি কৈ মাক ৰুমৰ পৰা ওলাই গ’ল।







তাৰ পিছৰে পৰা গুঠলী আমনজিমনকৈ থকা হ'ল। দেৱালীৰ সময়তো তাই অকণো ফুৰ্তি নকৰিলে। ফটকা, মিঠাই আৰু ঘৰৰ আন সকলোৰে পৰা আঁতৰত অকলে নিজৰ মাজতে তাই কিবা চিন্তা কৰি থাকিল।





অনবৰতে কথা কৈ থকা গুঠলীজনী একেবাৰে মনে মনে থকা হ'ল। কেৱল মাজে মাজে তাই তাইৰ বন্ধু বুলি ভবা গছৰ পাত আৰু ফুল আৰু মুৰ্গী পোৱালিবোৰৰ লগত কথা পাতে। ঘৰৰ সকলো ঠাইতে শুনা পোৱা গুঠলীৰ খিলখিলাই থকা হাঁহিটো ঘৰৰ পৰা নোহোৱা হৈ পৰিল।


गुठली के लिए



তেনেতে এদিন গুঠলী পাহাৰৰ ফালৰ পৰা ফুৰি অহাৰ পিছত মাকে গুঠলীক এটা পেকেট দিলে।

গুঠলীয়ে লাহে-লাহে পেকেটটো খুলিলে। হঠাতে তাই ফুৰ্তিতে জঁপিয়াই উঠিল। তাই আচৰিত হৈ মাকৰ ফালে চালে। পেকেটটোৰ ভিতৰত তাই বিচাৰি থকা এটা ধুনীয়া পৰীৰ ফ্ৰক আছিল।

মাকে তাইক সাৱটি ধৰি ক'লে, "লোৱা, এইটো পিন্ধা আৰু তোমাৰ যেনেকৈ ভাল লাগে তেনেকৈ থাকা। কিন্তু মোৰ কাৰণে তুমি সদায় মোৰ মৰমৰ সোণালী চৰায়েই হৈ থাকিবা।"

গুঠলীয়ে ফ্ৰকটো জোৰেৰে সাৱটি ধৰি মাকৰ বুকুত তাইৰ মূৰটো গুজি দিলে।





ফ্ৰকটো পিন্ধি গুঠলীয়ে ফুৰ্তিতে খুব নাচিলে। তাই মাকৰ মৰমৰ সোণালী চৰাই আৰু তাই আকাশত ডেউকা মেলি উৰিব পাৰে। তাই এই পৃথিৱীৰ নিয়মবোৰক তলতে এৰি আকাশৰ বহু ওপৰলৈ উৰি যাব পাৰে। সেই নিয়মবোৰ, যাৰ মতে তাই ল'ৰাহে, ছোৱালী নহয়। কিন্তু গুঠলীয়ে জানে যে তাই এজনী ছোৱালী।

হয়তো ডাঙৰ হৈ তাই এই সকলোবোৰ নিয়ম সলনি কৰি পেলাব পাৰে। কিন্তু আজিৰে পৰা তাই ডেউকা মেলিলে। এতিয়া তাই সঁচাকৈয়ে এজনী পৰী। আৰু আজিৰ বাবে সেয়াই হওঁক।





Guthli to Pari Hai

Story and Illustrations: Kanak Shashi
Design: Kanak Shashi
Assamese Translation: Debasish Bhuyan
Editing: Ayang Trust & The Hummingbird School family
Editorial consultants: Nirmali Goswami and Priaydarshika Medhi

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Developed with financial support from the H T Parekh Foundation.

First edition: March 2023 (1000 copies)
Reprint: September 2025 (1000 copies)
Paper: 100 gsm Matt Art and 250 gsm FB Board (Cover)
ISBN: 978-93-94552-49-4
Price: ₹ 110.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: Box Corugators and Offset Printers, Bhopal, Phone +91 0755 258 7651

কনক শশী:

কনক শশী এগৰাকী প্ৰকৃতি প্ৰেমিক আছিল। যেতিয়া তেওঁ ঘৰ পৰা ওলাই গ'লে গছৰ পাত, গুটি আৰু চৰাইৰ পাখি গোঠাইছিল। এইবোৰ আৰত কি বা কাহিনী লোকাই আছে। তেওঁ এগৰাকী চিত্ৰশিল্পী আছিল। তেওঁ এম এছ বিশ্ববিদ্যালয়ৰ পৰা চিত্ৰ আকাঁ শিক্ষা লাভ কৰিছিল। যোৱা দহ বছৰ ধৰি কিতাপৰ বাবে চিত্ৰ আৰু ডিজাইন কৰি আছো লগতে তেওঁ কাহিনীও লিখে।

গুটলী সকলোৰে মৰমীয়াল আছিল। সি নিজৰ বন্ধু চুজিৰ লগত সদায় আনন্দৰে থাকিছিল।

এদিনাখন সি নিজৰ পছন্দৰ ফ্ৰক পিন্ধি আছিল। তাৰ পিন্ধা ফ্ৰক নিপিন্ধিবলৈ কৈছিলে।

গুটলীৰ পছন্দৰ ফ্ৰকটো কিয় তাক পিন্ধিবলৈ নিদিলে? আচলতে গুলী কোন হয়?



eklavya

Price: ₹ 110.00

9 789394 552494